[19HKMDASO–M4S(O)19A]

MA 4th Semester (Old) Exam., 2019(S)

ASSAMESE

[MAS (S4) 14 (Lang)]

(ৰূপতত্ত্ব আৰু অসমীয়া ৰূপতত্ত্ব)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ৰূপতত্ত্ব আলোচনাৰ বিষয়বস্তু সম্পৰ্কে ধাৰণা দিয়ক।

(b) ৰূপধ্বনিগত পৰিৱৰ্তন মানে কি? আভাস দিয়ক।

(c) উদাহৰণেৰে সৈতে ক্ৰিয়াবাচক অনুপদৰ এটি সংজ্ঞা দিয়ক।

(d) অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ দুটিকৈ উদাহৰণ দিয়ক।

(e) অসমীয়া আৰু বাংলা ভাষাৰ উপভাষাকেইটিৰ নাম উল্লেখ কৰক।

(f) ক্ৰিয়া বিশেষণৰ সংজ্ঞা লিখি উদাহৰণ দিয়ক।

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) উপাকৃতিৰ উদাহৰণসহ পৰিচয় দাঙি ধৰক।

(b) বিভক্তি আৰু প্ৰত্যয়ৰ মাজত থকা পাৰ্থক্যসমূহ নিৰ্ণয় কৰক।

(c) প্ৰাকৃতি কাক বোলে? মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতিৰ সংজ্ঞা লিখি উদাহৰণ দিয়ক।

(d) অসমীয়া ভাষাত পুংলিগসাধন কেনেদৰে কৰা হয়, উদাহৰণেৰে সৈতে আলোচনা কৰক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) প্ৰকৃতি বুলিলে কি বুজে ? প্ৰকৃতিৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

(b) অসমীয়া ভাষাত কি কি উপায়েৰে লিংগ নিৰ্ণয় কৰা হয়, আলোচনা কৰক।

(c) তদৰ্থক সৰ্বনামৰ উদাহৰণসহ আলোচনা আগবঢ়াওক।

(d) সৰ্গ কাক বোলে ? সৰ্গৰ অৱস্থানগত বিভাজন সম্পৰ্কে উদাহৰণেৰে সৈতে বুজাই লিখক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ব্যাকৰণগত বিষয় বুলিলে কি বুজে ? 'ব্যাকৰণগত বিষয়'ৰ অন্তৰ্গত বিষয়সমূহৰ এটি আলোচনা আগবঢ়াওক।

(b) বচন বুলিলে কি বুজে ? অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ বহুবচনৰ অৰ্থ প্ৰকাশ কৰা উপায়সমূহ আলোচনা কৰক।

(c) ক্ৰিয়াৰ কাল কাক বোলে ? অসমীয়া ভাষাৰ ক্ৰিয়াৰ কাল কেইটা আৰু কি কি, উদাহৰণ দি আলোচনা কৰক।

(d) সাধিত ধাতুৰ পৰিচয় দাঙি ধৰক। অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ সাধিত ধাতুসমূহৰ গঠন সম্পৰ্কে বিতং আলোচনা আগবঢ়াওক।

(e) বিশেষণ কাক বোলে ? ই কেই প্ৰকাৰৰ আৰু কি কি ? উদাহৰণসহ বুজাই লিখক।

★★★